নং ঃ ৩৬২/২০২১

# তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত ৩০ খন বিচনাযুক্ত ক'ভিড আইচিইউ, শিশুৰ বাবে ৩০ খন বিচনাযুক্ত বিশেষ আই চি ইউ আৰু শিক্ষকৰ বাবে ২৪ টা কোৱাৰ্টাৰ উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ২৮ নৱেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত শিশুৰ বাবে নিৰ্মাণ কৰা ৩০ খন বিচনাযুক্ত বিশেষ আই চি ইউ, ৩০ খন বিচনাযুক্ত ক'ভিড আই চি ইউ আৰু ২৪ টা আৱাসিক ফেকাল্টি কোৱাৰ্টাৰৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। উল্লেখ্য যে, শিশুসকলৰ বাবে বিশেষভাৱে নিৰ্মাণ কৰা ৩০ খন বিচনাযুক্ত আই চি ইউ ব্লকত ১৫ খন আই চি ইউ বিচনা আৰু ১৫ খন ষ্টেপডাউন বিচনাৰ সুবিধা আছে। প্ৰায় ৪.৪৫ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰি উলিওৱা এই আই চি ইউ ব্লকটোৱে হাস্পতালখনৰ এক দীৰ্ঘদিনীয়া অভাৱ দূৰ কৰিবলৈ সক্ষম হ'ব বুলি আশা কৰা হৈছে।

আনহাতে, তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত আই চি ইউৰ বৰ্দ্ধিত চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি হাস্পতালখনত থকা ক'ভিড নিলগীকৰণ ৱাৰ্ডটোক ৩০ খন বিচনাযুক্ত আই চি ইউ ব্লকলৈ ৰূপান্তৰ কৰা হৈছে। ২০২১-২২ বৰ্ষৰ ৰাজ্যিক স্ব-অগ্ৰাধিকাৰ উন্নয়ন পুঁজিৰ অধীনত প্ৰায় ১.৪৮৭ কোটি টকা ব্যয়ৰে এই ব্লকটো নিৰ্মাণ কৰি উলিওৱা হৈছে।

সেইদৰে, ২০১৭-১৮ বৰ্ষৰ টি এন ই আই এফ আঁচনিৰ অধীনত মুঠ ১৯.৭১ কোটি টকা প্ৰকল্প ব্যয়ৰে চিকিৎসা মহাবিদ্যালয়খনৰ শিক্ষকসকলৰ বাবে আৱাসিক ফেকাল্টি কোৱাৰ্টাৰ নিৰ্মাণ কৰি উলিওৱা হৈছে। এই প্ৰকল্পৰ জৰিয়তে ভূমি + ২ মহল যুক্ত ৬ টা আৱাসিক ভৱন নিৰ্মাণ কৰা হৈছে আৰু এনে প্ৰতিটো ভৱনতে চাৰিটাকৈ কোৱাৰ্টাৰৰ ব্যৱস্থা আছে।

ইয়াৰ পিছতে হাস্পতাল চৌহদত উপস্থিত থকা সাংবাদিকৰে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীয়ে কয় যে আজিৰ এই পদক্ষেপৰ ফলত তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত আই চি ইউৰ সংখ্যা ১৭৫ টালৈ বৃদ্ধি পালে। ইমান সংখ্যক আই চি ইউ কিছু দিন পূৰ্বলৈকে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালটো নাছিল বুলি মন্তব্য কৰি তেওঁ কয় যে শোণিতপুৰ আৰু ইয়াৰ দাঁতিকাষৰীয়া জিলাসমূহৰ ৰাইজৰ চিকিৎসাৰ ক্ষেত্ৰত ই যথেষ্ট সহায়ক হ'ব। আনহাতে, চিকিৎসা মহাবিদ্যালয়খনত নতুনকৈ নিৰ্মাণ কৰিবলৈ লোৱা ছাত্ৰাৱাস আৰু ছাত্ৰীনিৱাস দুটা ভূমি + ১ মহলাৰ পৰিৱৰ্তে ভূমি + ৩ মহলাযুক্ত কৰা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। সেইদৰে, হাস্পতালখনত এটা চুপাৰ স্পেচিয়েলিটি ব্লক অথবা অত্যাধুনিক প্ৰেক্ষাগৃহ নিৰ্মাণৰ বাবেও জাইকাৰ সৈতে আলোচনা চলাই থকা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়।

এই কেউটা কাৰ্যসূচীতে মুখ্যমন্ত্ৰীৰ সৈতে স্বাস্থ্য মন্ত্ৰী কেশৱ মহন্ত, বিত্ত মন্ত্ৰী অজন্তা নেওগ, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী অশোক সিংহল, সাংসদ পল্লৱ লোচন দাস আৰু স্থানীয় বিধায়কসকল উপস্থিত থাকে।

**প্ৰঃকুঃবঃ**
**২৮-১১-২০২১**